# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 21-AUG-2025
**Time :** 7-05 AM

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাছিয়াই বিশ্ব শক্তি হিচাপে ভাৰতৰ স্থিতিৰ প্ৰশংসা কৰি বৈচিত্ৰ্যপূৰ্ণ বৈদেশিক নীতিৰে ভাৰতক আগশাৰীৰ অৰ্থনৈতিক শক্তি হিচাপে অভিহিত কৰিছে।

২। ভাৰতীয় অনন্য চিনাক্তকৰণ প্ৰাধিকৰণে আধাৰ আধাৰিত গ্ৰাহক পৰিক্ষণৰ বাবে ষ্টাৰলিংকৰ সৈতে বুজাবুজিত উপনীত হৈছে।

৩। দীপাৱলী আৰু ষট্ পূজা উপলক্ষে ১২ হাজাৰ বিশেষ ৰে'ল চলাচল কৰোৱা হ'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিছে।

৪। পাকিস্তান কৰ্তৃপক্ষই ভাৰতীয় বিমানৰ বাবে দেশখনৰ আকাশমাৰ্গ বন্ধ ৰখাৰ সিদ্ধান্তৰ ম্যাদ ২৩ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰিছে। ***আৰু***

৫। ভাৰতৰ তপস্যাই ২০ বছৰ অনূৰ্ধ্বৰ বিশ্ব ৰেষ্টলিং চেম্পিয়নশ্বিপছত দেশৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰিছে।

ooooo

ৰাছিয়াই বিশ্ব শক্তি হিচাপে ভাৰতৰ স্থিতিক প্ৰশংসা কৰি বৈচিত্ৰ্যপূৰ্ণ বৈদেশিক নীতিৰে ভাৰতক আগশাৰীৰ অৰ্থনৈতিক শক্তি হিচাপে অভিহিত কৰিছে। ভাৰতত ৰাছিয়াৰ কাৰ্যকলাপৰ দায়িত্ববাহী বিষয়া ৰোমান বাবুস্কিনে নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কয়, যে উভয় দেশৰ পাৰস্পৰিক স্বাৰ্থ আছে আৰু দেশ দুখনে ধাৰাবাহিকভাৱে পাৰস্পৰিক সহযোগিতাৰ পথ অন্বেষণত সফল হৈছে। দুয়োখন দেশৰ মাজৰ সম্পৰ্ক ক্ৰমে সম্প্ৰসাৰিত হোৱাৰ লগতে নিৰৱচ্ছিন্ন হৈ আছে বুলি তেওঁ প্ৰকাশ কৰে। ৰাছিয়াৰ দূতাবাসৰ বিষয়াগৰাকীয়ে ইউক্ৰেইনৰ পৰিস্থিতি সন্দৰ্ভত ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজত হোৱা টেলিফোনিক বাৰ্তালাপৰ বিষয়েও উল্লেখ কৰে। তেওঁ লগতে কয়, যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ শেহতীয়া মস্কো ভ্ৰমণকে ধৰি ভাৰতৰ অন্যান্য কাম-কাজসমূহে চলিত বৰ্ষৰ শেষৰ ফালে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ ভাৰত ভ্ৰমণৰ বাবে এখন মঞ্চ তৈয়াৰ কৰিছে।

ooooo

ভাৰতীয় অনন্য চিনাক্তকৰণ প্ৰাধিকৰণ- ইউ আই ডি এ আইয়ে আধাৰ আধাৰিত গ্ৰাহক পৰিক্ষণৰ বাবে ব্যক্তিগত খণ্ডৰ উপগ্ৰহীয় ইণ্টাৰনেট সেৱা যোগানকাৰী ষ্টাৰলিংকৰ সৈতে বুজাবুজিত উপনীত হৈছে। বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে এখন বিবৃতিযোগে উল্লেখ কৰিছে যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ উপগ্ৰহীয় ইণ্টাৰনেট সেৱা প্ৰদানকাৰীৰ জৰিয়তে আধাৰ প্ৰমাণিকৰণ ব্যৱস্থাই ভাৰতৰ ডিজিটেল আন্তঃগাঁথনি বিশ্বাসযোগ্যতাকে প্ৰদৰ্শন কৰে। মন্ত্ৰালয়ে কৈছে যে এই বুজাবুজিৰ জৰিয়তে স্বচ্ছতা আৰু দায়িত্ব নিশ্চিত কৰি সেৱা বিতৰণৰ ক্ষেত্ৰত আধাৰে কিদৰে ন-ন উদ্ভাৱন কৰিবলৈ সমৰ্থ হ'ব সেই দিশত বিশেষ গুৰুত্ব দিয়া হ'ব। সুচল ব্যৱসায় আৰু জীৱন নিৰ্বাহৰ বাবে আধাৰে এটা অনুঘটকৰ দৰে কাম কৰিব বুলি উল্লেখ

কৰি মন্ত্ৰালয়ে লগতে কয়, যে ইয়াৰ মুখ চিনাক্তকৰণ ব্যৱস্থাই এতিয়া গতি লাভ কৰিছে। এই ব্যৱস্থাৰ সুচল ব্যৱহাৰ আৰু উপযোগিতাৰ বাবে আধাৰ নম্বৰধাৰীসকলৰ সুবিধা হোৱাৰ পৰিপ্ৰেক্ষিততে এয়া সম্ভৱ হৈ উঠিছে বুলি মন্ত্ৰালয়ে কয়।

ooooo

দীপাৱলী আৰু ষট্ পূজা উপলক্ষে ১২ হাজাৰ বিশেষ ৰে'ল চলাচল কৰোৱা হ'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিছে। বিহাৰৰ এন ডি এ নেতাসকলৰ সৈতে হোৱা আলোচনাৰ পাছতে মন্ত্ৰীগৰাকীয়ে এই সিদ্ধান্ত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ নেতৃবৃন্দৰ সৈতে জনসাধাৰণৰ ভ্ৰমণৰ আৱশ্যকতা সন্দৰ্ভত হোৱা আলোচনাৰ অন্তত মন্ত্ৰালয়ে নতুন ৰে'লগাড়ীৰ লগতে আন কেইবাখনো আঁচনি আৰু আন্তঃগাঁথনিমূলক প্ৰকল্পৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

সাধাৰণ শ্ৰেণীৰ যাত্ৰীসকলৰ সুবিধাৰ্থে দিল্লী-গয়া, চহৰছা-অমৃতচৰ, চাপ্ৰা-দিল্লী আৰু মুজফ্‌ফৰপুৰ-হায়দৰাবাদ সংযোগী চাৰিখন নতুন অমৃত ভাৰত ৰে'লগাড়ীৰ চলাচলো আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

দিল্লীত বিহাৰৰ এন ডি এ নেতাসকলে কেন্দ্ৰীয় ৰে'লমন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি দীপাৱলী আৰু ষট্ পূজাৰ সময়ৰ ৰে'ল যোগাযোগ ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে উৎসৱৰ সময়ছোৱাত ১৩ অক্টোবৰৰ পৰা ২৬ অক্টোবৰৰ ভিতৰত গন্তব্যস্থানলৈ ৰাওনা হোৱা যাত্ৰীসকলে এখন নতুন পৰীক্ষামূলক আঁচনিৰ অধীনত ১৭ নৱেম্বৰৰ পৰা ১ ডিচেম্বৰৰ ভিতৰত কৰিবলগীয়া উভতনি যাত্ৰাৰ ভাড়াত ২০ শতাংশ ৰেহাইৰ লগতে নিশ্চিত টিকট লাভ কৰিব।

ooooo

পাকিস্তান কৰ্তৃপক্ষই ভাৰতীয় বিমানৰ বাবে দেশখনৰ আকাশমাৰ্গ বন্ধ ৰখাৰ সিদ্ধান্তৰ ম্যাদ ২৩ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰিছে। পাকিস্তানৰ বিমানবন্দৰ কৰ্তৃপক্ষই এই নিষেধাজ্ঞা এমাহৰ বাবে বৃদ্ধি কৰাৰ সিদ্ধান্ত সদৰি কৰি বিমান চালকসকললৈ জাননী জাৰি কৰিছে। এই জাননী অনুসৰি ভাৰতীয় বিমান সংস্থাসমূহে পৰিচালনা কৰা কোনো বিমানকে পাকিস্তানৰ আকাশমাৰ্গ ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব। ভাৰতীয় মালিকানাধীন আৰু আনকি লিজত থকা সামৰিক আৰু অসামৰিক বিমানৰ ক্ষেত্ৰতো এই নিষেধাজ্ঞা বাহাল থাকিব বুলি পাকিস্তানৰ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ পাছত দুয়ো দেশৰ মাজত বৃদ্ধি পোৱা উত্তেজনাৰ পৰিপ্ৰেক্ষিতত প্ৰথমে ২৩ এপ্ৰিলত এমাহৰ বাবে এই নিষেধাজ্ঞা জাৰি কৰা হৈছিল। ইয়াৰ কিছুদিন পাছতে ৩০ এপ্ৰিলত প্ৰত্যুত্তৰ হিচাপে ভাৰতেও পাকিস্তানৰ বিমানসমূহৰ বাবে নিজৰ আকাশমাৰ্গ বন্ধ ৰখাৰ সিদ্ধান্ত সদৰি কৰিছিল। এই সিদ্ধান্তৰ ম্যাদ ২৩ মে'ত প্ৰথমবাৰ এমাহৰ বাবে বৃদ্ধি কৰা হৈছিল।

ooooo

ভাৰত আৰু ইউৰেছিয়ান অৰ্থনৈতিক সংঘই মুক্ত বাণিজ্য চুক্তিৰ ক্ষেত্ৰত আলোচনাৰ বাবে এই সন্দৰ্ভৰ চৰ্তত স্বাক্ষৰ কৰিছে। ইউৰেছিয়ান অৰ্থনৈতিক সংঘ আমেৰিকা, বেলাৰুছ, কাজাখস্তান, কিৰগিছ গণৰাজ্য আৰু ৰাছিয়াক লৈ গঠিত হৈছে। বাণিজ্য বিভাগৰ অতিৰিক্ত সচিব অজয় ভাদ' আৰু ইউৰেছিয়ান অৰ্থনৈতিক আয়োগৰ বাণিজ্য নীতি বিভাগৰ উপ-সঞ্চালক মিখাইল ছেৰেকেভে মস্কোত এই সন্দৰ্ভ চৰ্তত স্বাক্ষৰ কৰে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এই প্ৰস্তাৱিত মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে ৰপ্তানি বৃদ্ধিৰ

লগতে  অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক যোগোৱা সমৰ্থনৰ জৰিয়তে ভিন ভিন বজাৰত বিপণন বৃদ্ধিত সহায় হ'ব বুলি মন্তব্য কৰিছে। চৰ্তত স্বাক্ষৰ উপলক্ষে আয়োজিত অনুষ্ঠানত উভয় পক্ষই ২০২৩ বৰ্ষতকৈ ২০২৪ বৰ্ষত ভাৰত আৰু ইউৰেছিয়ান অৰ্থনৈতিক সংঘৰ মাজৰ বাণিজ্যিক লেনদেন ৬ হাজাৰ ৯০০ কোটি ডলাৰলৈ বৃদ্ধি পাইছে বুলি উল্লেখ কৰে।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি চতিয়া দিৱস উদযাপনৰ সময়ত স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ সমান্তৰালভাৱে চতিয়াৰ বাবে এলানি উন্নয়নমূলক পদক্ষেপৰ বিষয়ে ঘোষণা কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহাসিক চতিয়া আৰক্ষী থানাক পৰ্যটনস্থলীৰূপে গঢ় দিয়াৰ উদ্দেশ্যে ৫ কোটি টকাৰ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই থানাখনতে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত প্ৰথমবাৰৰ বাবে ত্ৰিৰংগ পতাকা উত্তোলন কৰা হৈছিল। ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে চতিয়াক কেৱল ইতিহাসৰ প্ৰতীক হিচাপেই নহয়, বৰং লগতে সাংস্কৃতিক পৰ্যটন আৰু অৰ্থনৈতিক কাম-কাজৰ কেন্দ্ৰ হিচাপেও গঢ় দিয়াৰ প্ৰয়াস কৰিছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অঞ্চলটোৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ মুকলি বিহু খেলপথাৰত এটা ভৱনৰ নিৰ্মাণৰ বাবেও ২ কোটি টকাৰ আৱণ্টন দিয়ে। ঐতিহ্যৰ সংৰক্ষণৰ সৈতে বিকাশৰ মিশ্ৰণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০

ভাৰতৰ তপস্যাই বুলগেৰিয়াত চলি থকা ২০ বছৰ অনূৰ্ধৰ বিশ্ব ৰেষ্টলিং চেম্পিয়নশ্বিপছত দেশৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰিছে। মহিলাৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত কালি তপস্যাই নৰৱেৰ ফেলিচিটাছ ড'মাজেভাক ৫-২ ফলাফলত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত তপস্যাই দলঝন চীনগুৰেভাৰ বিৰুদ্ধে ৬-০ ফলাফলত বিজয় অৰ্জন কৰিছিল। কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকীয়ে ফ্ৰান্সৰ ৰ'মাইচা এল খাৰুৱ'বিক পৰাস্ত কৰাৰ বিপৰীতে ছেমি ফাইনেলত জাপানৰ ছ'ৰাকা উশ্বিদাক ৪-৩ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছিল।

অৱশ্যে মহিলাৰ ৮৮ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত সৃষ্টি জাপানৰ ৰাই হ'ছিনোৰ বিৰুদ্ধে ০-৭ ফলাফলত পৰাস্ত হয়। ৰূপৰ পদক অৰ্জন কৰা সৃষ্টিয়ে ছেমি ফাইনেলত জাৰ্মানীৰ লৌৱা কহলাৰক ৭-৩ ফলাফলত পৰাস্ত কৰিছিল।

ইপিনে মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ প্ৰিয়া মালিকে আৰু ৫৫ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ ৰীণাই ফাইনেলত স্থান নিশ্চিত কৰিছে। ছেমি ফাইনেলত প্ৰিয়াই ছাৰ্বিয়াৰ ইভলিন উঝেলজিৰ বিৰুদ্ধে ১০-০ আৰু ৰীণাই ৰোমানিয়াৰ ভইকুলেশ্বু আলেকজেণ্ড্ৰাৰ বিৰুদ্ধে ১১-১ ফলাফলত বিজয় সাব্যস্ত কৰে।

প্ৰতিযোগিতাৰ পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত কালি ভাৰতৰ সুমিত মালিক ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হয়। খেলুৱৈগৰাকীক ৰাছিয়াৰ প্ৰতিদ্বন্দ্বী মেগ'মেড ওদজামিৰোই ৫-৮ ফলাফলত পৰাস্ত কৰে।

এইপৰ্যন্ত ভাৰতীয় মল্লযোদ্ধাসকলে প্ৰতিযোগিতাত এটা সোণৰ আৰু দুটা ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কালি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গলটো দিয়ে।

প্ৰতিযোগিতাৰ ফাইনেলত অহা শনিবাৰে ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব। খেলখন কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত খেলোৱা হ'ব।

০০০০০

হকী ইণ্ডিয়াই অহা ২৯ আগষ্টৰ পৰা ৭ ছেপ্তেম্বৰলৈ বিহাৰৰ ৰাজগিৰত হ'বলগীয়া পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ভাৰতৰ ১৮ জনীয়া দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। প্ৰতিযোগিতাত ভাৰতক জাপান, চীন আৰু কাজাখস্তানৰ সৈতে পুল-এত স্থান দিয়া হৈছে। ভাৰতে প্ৰতিযোগিতাৰ পহিলা দিনটোতে চীনৰ মুখামুখি হ'ব। পুল পৰ্যায়ৰ দ্বিতীয় আৰু তৃতীয়খন খেলত ভাৰত ক্ৰমে ৩১ আগষ্টত জাপান আৰু ১ ছেপ্তেম্বৰত কাজাখস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

হকী ইণ্ডিয়াৰ ঘোষণা অনুসৰি তাৰকা খেলুৱৈ হৰমন প্ৰীত সিঙে দলৰ নেতৃত্বত বহন কৰিব। প্ৰশিক্ষক ক্ৰেইগ ফুলটনে কয়, যে অভিজ্ঞতা আৰু চাপৰ সময়ত প্ৰদৰ্শন আগবঢ়োৱাৰ ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি দলৰ সদস্যসকলক বাছি উলিওৱা হৈছে। অহা বছৰ বেলজিয়াম আৰু নেডাৰলেণ্ডছত হ'বলগীয়া এফ আই এইচ হকী বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী প্ৰতিযোগিতা হিচাপে এছিয়া কাপৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি দলটোৰ সকলো বিভাগে সুন্দৰ প্ৰদৰ্শন কৰিব বুলি তেওঁ বিশ্বাস প্ৰকাশ কৰে।

০০০০০

সমাপ্ত